[20-HKPGDEO-M4S(O)21J]

MA 4th Semester (Old) Exam., 2020

ASSAMESE

[MAS (S4) 16 (Lang)]

(তিব্বত-বর্মীয় ভাষা)

Full Marks : 80

Time : 3 hours

The figures in the margin indicate full marks for the questions

১। তলৰ যি কোনো **পাঁচটা** প্ৰশ্নৰ উত্তৰ লিখক (প্ৰতিটো প্ৰায় ৫০ শব্দৰ ভিতৰত) : ২×৫=১০

(ক) কার্বি ভাষাত থকা উপাহিত ধ্বনিবোৰ কি কি?

(খ) ৰাভা ভাষাত যুক্তাক্ষৰ আৰু দ্বিস্বৰ বা ত্রিস্বৰৰ বহুলতা কিয় বিচাৰি পোৱা যায়?

(গ) মিছিং ভাষা কোনটো ভাষা-পৰিয়ালৰ, কোনটো উপশাখাৰ অন্তৰ্গত?

(ঘ) ডিমাছা আৰু বড়ো ভাষাত থকা বিশিষ্ট স্বৰ আৰু ব্যঞ্জনধ্বনিৰ সংখ্যা কিমান?

(ঙ) অসমত প্ৰচলিত তিব্বত-বর্মীয় ভাষাবোৰত মূৰ্দ্ধন্য ধ্বনিৰ প্ৰয়োগ আছেনে? যদি আছে, এই ধ্বনিবোৰ বিশিষ্ট হয়নে?

(চ) তিব্বত-বর্মীয় ভাষাসমূহত সংখ্যাবাচক শব্দৰ গাঁথনিক সংগতিটো কিহৰ আধাৰত নির্মিত? যি কোনো তিব্বত-বর্মীয় ভাষাৰ সহায়ত সংখ্যাবাচক শব্দৰ গঠনৰ এটা উদাহৰণ দাঙি ধৰক।

২। তলৰ যি কোনো **তিনিটা** প্ৰশ্নৰ উত্তৰ লিখক (প্ৰতিটো প্ৰায় ১৫০ শব্দৰ ভিতৰত) : ৪×৩=১২

(ক) তিব্বত-বর্মীয় ভাষাৰ সম্বন্ধবাচক শব্দৰ গঠন আৰু প্ৰয়োগ সম্পৰ্কে বহলাই আলোচনা কৰক।

(খ) ৰাভা ভাষাত কিদৰে বিশেষ্য শব্দৰ গঠন হয়, উদাহৰণসহ বৰ্ণনা কৰক।

(Continued)

(গ) তিব্বা ভাষাৰ প্ৰচলন-ক্ষেত্ৰখনৰ উল্লেখ কৰি এই ভাষাৰ স্বৰ আৰু ব্যঞ্জনধ্বনিসমূহৰ তালিকাসহ পৰিচয়মূলক টোকা প্ৰস্তুত কৰক।

(ঘ) অসমীয়া ৰূপতত্ত্বৰ কোনকেইটা দিশৰ লগত তিব্বত-বৰ্মীয় ভাষাৰ সাদৃশ্য আছে? উদাহৰণসহ বৰ্ণনা কৰক।

৩। তলৰ যি কোনো **তিনিটা** প্ৰশ্নৰ উত্তৰ লিখক (প্ৰতিটো প্ৰায় ২৫০ শব্দৰ ভিতৰত) : ৬×৩=১৮

(ক) তিব্বত-বৰ্মীয় ভাষাত লিংগ ব্যাকৰণগত বিষয় হয়নে? উদাহৰণসহ আলোচনা কৰক।

(খ) অসমৰ তিব্বত-বৰ্মীয় ভাষাবোৰ সুৰপ্ৰধাননে? দেউৰী ভাষাত থকা সুৰৰ বিশিষ্টতা সম্পৰ্কে উদাহৰণসহ বহলাই আলোচনা কৰক।

(গ) বৰোবগীয় ভাষাসমূহৰ লগত অসমীয়া ভাষাৰ কি কি সাদৃশ্য আছে, দৃষ্টান্তসহ বৰ্ণনা কৰক।

(ঘ) কাৰ্বি ভাষা চীন-তিব্বতীয় মূলৰ কোন শাখাৰ অন্তৰ্ভুক্ত? কাৰ্বি ভাষাৰ ছয়টা ভাষাতাত্ত্বিক বৈশিষ্ট্য উল্লেখ কৰক।

৪। তলৰ যি কোনো **চাৰিটা** প্ৰশ্নৰ উত্তৰ লিখক (প্ৰতিটো প্ৰায় ৫০০ শব্দৰ ভিতৰত) : ১০×৪=৪০

(ক) বৰো ভাষাৰ ৰূপগত বৈশিষ্ট্যসমূহ বহলাই আলোচনা কৰক।

(খ) তিব্বত-বৰ্মীয় ভাষা-পৰিয়ালৰ অন্তৰ্গত ভাষাবোৰৰ সুৰ-শ্বাসাঘাত আৰু উপাহিত ধ্বনি সম্পৰ্কে এটি নিৱন্ধ যুগুত কৰক।

(গ) দেউৰী ভাষাৰ ৰূপতাত্ত্বিক বৈশিষ্ট্যসমূহ আলোচনা কৰক।

(ঘ) অসমীয়া ভাষাত তিব্বত-বৰ্মীয় ভাষাৰ কি কি ধ্বনিতাত্ত্বিক প্ৰভাৱ দেখা পোৱা যায়, বহলাই আলোচনা কৰক।

(ঙ) 'মিছিং ভাষাৰ ৰূপতত্ত্ব' শীৰ্ষক এটা প্ৰবন্ধ যুগুত কৰক।

★★★